


# ৰাষ্ট্ৰীয় উডবললৈ অসম দল

গুৱাহাটী, ১১ মে’ঃ ছত্তীশগড়ৰ ৰায়পুৰত অহা ১৪-১৭ মে’ত অনুষ্ঠিত হ’বলগীয়া ২০ সংখ্যক ৰাষ্ট্ৰীয় উডবল প্ৰতিযোগিতাৰ বাবে অসম দলটো ঘোষণা কৰা হৈছে। গুৱাহাটীত যোৱা মাহত অনুষ্ঠিত বাছনি শিবিৰৰ পৰা ১২ গৰাকী পুৰুষ আৰু মহিলা খেলুৱৈক ৰাজ্যিক দলটোত বাছনি কৰা হৈছে। নিৰ্বাচিত খেলুৱৈসকলে ষ্ট্ৰ’ক আৰু ফেয়াৰৱে’ বিভাগৰ দলীয় ইভেণ্ট, ডাবলছ, মিক্সড ডাবলছ আৰু ছিংগলছ শাখাত অংশগ্ৰহণ কৰিব। ঘোষিত দলটো— (মহিলা) সংগীতা দাস, হিয়া চেতিয়া, সংগীতা শৰ্মা, ৰিচিকা বৰা আৰু খুছবু চুলতানা। আনহাতে পুৰুষৰ দলটোৰ খেলুৱৈসকল— জিতুপন দাস (অধিনায়ক), নিৰ্ণয় সিন্‌হা, ভাৰ্গৱ দাস, মৃদুল বৰগোহাঞি, ৰিচাৰ্ড কলিতা, প্ৰাণপ্ৰতিম চলিহা আৰু জিজ্ঞাস নাথ। দলটো কাইলৈ ৰাওনা হ’ব।